

# চলন্তাপাৰা মহাত্মা গান্ধী মহাবিদ্যালয়ৰ 'মহাবিদ্যালয় সপ্তাহ'

প্ৰতিদিন সেৱা, যোগীঘোপা, ১৬ ফেব্ৰুৱাৰী ঃ বঙাইগাঁও জিলাৰ যোগীঘোপাৰ চলন্তাপাৰাস্থিত মহাত্মা গান্ধী মহাবিদ্যালয়ৰ মহাবিদ্যালয় সপ্তাহৰ যোৱা ১০ ফেব্ৰুৱাৰীত সামৰণি পৰে। মহাবিদ্যালয় সপ্তাহ উপলক্ষে অনুষ্ঠিত বঁটা বিতৰণী আৰু মুকলি সভাত মুখ্য অতিথি হিচাপে অভয়াপুৰী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ৰামেশ্বৰ পাঠকে ছাত্ৰ-ছাত্ৰীক উদ্দেশ্যি কয় যে একবিংশ শতিকাৰ প্ৰতিযোগিতাৰ যুগত তিষ্ঠি থাকিবলৈ ছাত্ৰ-ছাত্ৰীসকলে অধ্যয়নত অধিক মনোযোগ দিয়া উচিত। তেওঁ কয়— গুণগত শিক্ষাই হৈছে প্ৰকৃত শিক্ষা। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° শেখ ফখৰুদ্দিন আলী আহমেদৰ সভাপতিত্বত অনুষ্ঠিত সভাত অসমীয়া বিভাগৰ সহকাৰী অধ্যাপিকা ড° বন্দনা কলিতাই শিক্ষানুষ্ঠানক বাগিচাৰ সৈতে তুলনা কৰি কয় যে বাগিচা এখনত ফুল ফুলি থাকিলে যিদৰে দেখিবলৈ শুৱনি হৈ পৰে, ঠিক তেনেদৰে বিভিন্ন দিশত প্ৰতিভাসম্পন্ন ছাত্ৰ-ছাত্ৰীয়ে শিক্ষানুষ্ঠানক জীপাল কৰি তোলে। মহাবিদ্যালয়খনৰ আন এজন প্ৰবক্তা এবাদুল হুছেইনে কয় যে কেৱল ডিগ্ৰী থাকিলেই শিক্ষিত নহয় আৰু পাঠ্যক্ৰমৰ শিক্ষাই প্ৰকৃত শিক্ষা নহয়। সুশিক্ষিত হ'বলৈ পাঠ্যক্ৰমৰ শিক্ষাৰ উপৰি বাহ্যিক জ্ঞানৰো যথেষ্ট প্ৰয়োজন আছে। তেওঁ কয়— শিক্ষাৰ্থীৰ শিক্ষা আহৰণৰ প্ৰক্ৰিয়াটো সদায় প্ৰতিযোগিতামূলক হ'ব লাগে। প্ৰতিযোগিতাত অৱতীৰ্ণ হৈ মেধাশক্তিৰ পৰিচয় দিয়াটোৱে হৈছে শিক্ষাৰ্থীৰ প্ৰধান কৰ্তব্য।